## বৈজ্ঞানিক শ্ৰেণী বিভাজন

| | | |
|---|---|---|
| ৰাজ্য | ঃ | ইউকেৰিওট্ (Eukaryote) |
| ৰজা | ঃ | প্লেনটেই (Plantae) |
| (অশ্ৰেণীভুক্ত) | ঃ | এলগিওস্পাৰ্মছ্ (Angiosperms) |
| (অশ্ৰেণীভুক্ত) | ঃ | ইউডিকোটছ্ (Eudicots) |
| (অশ্ৰেণীভুক্ত) | ঃ | ৰোজিডছ্ (Rosids) |
| ক্ৰম | ঃ | ৰোজালেছ্ (Rosales) |
| বংশ | ঃ | ৰোজাচিয়েই (Rosaceae) |
| উপবংশ | ঃ | ৰোজিওডিয়েই (Rosiodeae) |
| জাতি | ঃ | ৰোজা (Rosa) |

গোলাপ হ'ল ৰোজা প্ৰজাতিৰ বাৰেমহীয়া ডাল-পাত থকা ফুল ফুল উদ্ভিদ যাৰ বংশ হ'ল ৰোজাচিয়েই। ইয়াৰ প্ৰায় ১০০টা প্ৰজাতি আৰু বহুত খেতিয়ক আছে। গোলাপ হ'ল চুটি জোপোহা, লতা জাতীয় আৰু মাটিত চুচৰি যোৱা আৰু কাঁইটীয়া বংশৰ ফুল জাতীয় উদ্ভিদ। ফুলটো বিভিন্ন ধৰণৰ আকাৰ-আকৃতিৰ লগতে ডাঙৰ আৰু দেখনীয়াৰ। সাধাৰণতে ইয়াৰ ৰং বগা, হালধীয়া আৰু ৰঙা। ইয়াক সাধাৰণতে এছিয়া, ইউৰোপ, উত্তৰ আমেৰিকা, দক্ষিণ-পশ্চিম আফ্ৰিকাত পোৱা যায়। বিভিন্ন খেতিয়ক,

হাইব্ৰীডাৰসকলে ইয়াৰ বিভিন্ন প্ৰজাতিৰ খেতি কৰে ইয়াৰ সৌন্দৰ্য আৰু সুবাসৰ কাৰণে। ইয়াৰ গছৰ আকৃতি জোপোহা, সৰু আকৃতি নতুবা লতা জাতীয় যাৰ উচ্চতা প্ৰায় সাত ফুট পৰ্যন্ত। হাইব্ৰীডীয় প্ৰজাতিৰ বিভিন্ন গোলাপে ইয়াক বাগিচাত ৰোৱা ফুল খেতি হিচাপে আৰু বহুত ওপৰলৈ লৈ গৈছে। ৰোজ (গোলাপ) নামটো ফ্ৰান্সৰ পৰা অহা লেটিন শব্দ ৰোজাৰ পৰা।

প্ৰতিটো ডালৰ বিপৰীতে গোলাপ ফুলত পাতবিলাক ওলায়। বেছিভাগ প্ৰজাতিতে পাতৰ দীঘল পাঁচৰ পৰা পোন্ধৰ ছেঃমিঃ। ইয়াৰ কুঁহিপাতবিলাক দাৰ থকা আৰু ডালটোৰ তলফালে সৰু সৰু কাঁইট থাকে। বেছিভাগ গোলাপ ফুলৰ পাতবিলাক সৰি নতুনকৈ গজালি ওলায় কিন্তু কিছুমান গোলাপৰ গছৰ সদায় চিৰসেউজীয়া হৈ থাকে।

বেছিভাগ গোলাপ ফুলত পাঁচটাকৈ পাহি থাকে কিন্তু ৰোজা ছেৰিছিয়ে নামৰ গোলাপ ফুলৰ প্ৰজাতিটোত চাৰিটাকৈ পাহি থাকে। প্ৰত্যেকটো পাহিৰ দুটাকৈ ভাগ থাকে আৰু ইয়াৰ ৰং বগা নহ'লে গোলাপী। কিন্তু কিছুমানত ইয়াৰ ৰং হালধীয়া নহলে ৰঙা। পাহিবিলাকত আকৌ পাঁচটাকৈ বেটুপাত থাকে, সেইকাৰণে গোলাপ ফুলটো দেখিবলৈ ঘূৰণীয়াৰ দৰে হয়।

গোলাপ ফুলত সাধাৰণতে কিছুমান গুটি দেখা যায় যাক ৰোজ হিপ বুলি কোৱা হয়। বেছিভাগ ঘৰচীয়া খেতিয়কে গুটিৰ উৎপাদন নকৰে। বহুতো প্ৰজাতি হিপটো ৰঙা আৰু কিছুমানৰ ক'লা-কজলা বৰণৰ। এই হিপটোত বহুত পৰিমাণৰ(চি) ভিটামিন থাকে। হিপটো বহুতো চৰাই-চিৰিকটিৰ প্ৰধান আহাৰ হৈ পৰে। গোলাপ ফুল ডালটোত বহুতো কাঁইট থাকে। কাঁইটডালো অলপ বেলেগ ধৰণৰ। কাঁইটবিলাক থকা কাৰণে চৰাই-চিৰিকটি বিলাক ফুলবিলাকত আক্ৰমণ কৰিব নোৱাৰি। বহুত জোৰে ধুমুহা আহিলেও ইয়াৰ গছৰ বিশেষ ক্ষতি নোহোৱাৰ কাৰণ ডালটোত থকা কাঁইটৰ বাবে।

### গোলাপ ফুলৰ বিভিন্ন প্ৰকাৰ ঃ

হাইব্ৰীড টি, চুপাৰ ষ্টাৰ, অৰ্জুন, হেপিনেচ, ৰক্তগন্ধা, Avil's Spakra, এডান, ব্লু মুন, C. Christian, Dior, Crimson Glory, ফাৰ্ষ্ট প্ৰাইজ, ফ্ৰেইণ্ডচিপ, আইলোনা, কিচ অফ ফায়াৰ, প্ৰিয়দৰ্শনী আৰু জৱাহৰ।

Floribunda : কুইন এলিজাবেথ, অৰুণিমা বনজাৰণ, চন্দ্ৰমা, মোহিনী, সূৰ্যকিৰণ, নৰসদাবাহৰ আৰু সিন্দুৰ।

Polyantha: আজলী, নৰ্ত্তকী, পিংক ছাৰ্ৰাছ, ইৰো, বোমো, Baby Fanveach

### গোলাপৰ প্ৰজাতি ঃ

ৰোজা প্ৰজাতিটো চাৰিটা ভাগত বিভক্ত

(১) হালথেমিয়া (Hulthemia) ঃ কেৱল বেছিকৈ ফুলহে থাকে, পাত কমকৈ থাকে। প্ৰধানকৈ দক্ষিণ-পশ্চিম এছিয়াত পোৱা যায়।

(২) হেচপাৰহোডচ (Hesperrhodos) ঃ ইয়াক প্ৰধানকৈ উত্তৰ আমেৰিকাত পোৱা যায়।

(৩) প্লাটাৰহোডোন (Platyrhoden) ঃ প্ৰধানকৈ পূব এছিয়াত পোৱা যায়।

(৪) ৰোজা (Rosa) ঃ ইয়াক প্ৰায়ভাগ ঠাইতেই পোৱা যায়।

### গোলাপ ফুলৰ ব্যৱহাৰ ঃ

গোলাপ ফুলক প্ৰধানকৈ ফুল ফুলা উদ্ভিদ হিচাপে জনা যায়। এই ফুলবিধ হয়তো বাগিচা নতুবা ঘৰৰ ভিতৰত হোৱা ফুল বুলি ক'ব পাৰি। ইয়াক বাণিজ্যিকভাৱে সুগন্ধীয় আৰু কাটি আনি বিক্ৰী কৰিব পাৰি। ইয়াক কিছু পৰিমাণে ঔষধীয় হিচাপেও ব্যৱহাৰ কৰিব পাৰি।

ফুল ফুলা উদ্ভিদঃ

বেছিভাগ গোলাপ হাইব্ৰীড জাতৰ। বেছিভাগ জাতেই ইয়াৰ সৌন্দৰ্য আৰু সুগন্ধীয়। বহুত বছৰ আগৰ পৰা গোলাপ ফুলৰ খেতিৰ কথা শুনিবলৈ পোৱা যায়। বেছিভাগ হাইব্ৰীড জাতৰ গোলাপ ফুল বাগিচাত ৰোৱা হয়। হাইব্ৰীড গোলাপবিলাক বেছিভাগে দুটাকৈ ফুলা আৰু বহুতো পাহি থাকে।

গোলাপ ফুল বেছিকৈ কাটি আনি বিক্ৰী কৰা বাবে ৰোৱা হয়। হয়তো ই ঘৰচীয়া বা বাগিচাতে হওক। কাটি অনা গোলাপ ফুলবিলাক গ্লাচৰ (আইনা) ঘৰবিলাকত থোৱা যিটোৱে ইয়াৰ সৌন্দৰ্য আৰু বৃদ্ধি কৰে। গোলাপ ফুলৰ বজাৰখন ইমানেই ডাঙৰ যে ইয়াক আকাশীযানৰ দ্বাৰা আমদানি-ৰপ্তানি কৰা হয়।

### গোলাপ ফুলৰ ৰোপণ ঃ

গোলাপ ফুল ৰুবলৈ গাতটো ৭৫খ৯০ ছেঃ মিঃ হ'ব লাগে। গাতঁটো শুকান কৰি লৈ তাত খপঝ আৰু ডাল বাগিচাৰ মাটিৰ মিশ্ৰণ দিব লাগে। বাৰিষা বতৰৰ আৰম্ভণিতে বা চলি থকা সময়ত গোলাপ ফুল ৰুব লাগে। ইয়াৰ ব্যৱদান ইয়াৰ ভিন্নতাৰ ওপৰত নিৰ্ভৰ কৰে তথাপিও ইয়াৰ ব্যৱধানৰ দূৰত্ব ৭৫খ৯০ ছেঃ মিঃ হ'ব লাগে। পুলিটো ৰোৱাৰ পিছত গাতটো মাটিৰে ভালকৈ পূৰ কৰি পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

### মাটিৰ ধৰণ ঃ

নলী-নাদৰ ব্যৱস্থা থকা যিকোনো বাগিচাৰ মাটি গোলাপ ফুলৰ বাবে উপযোগী।

### গোলাপৰ সংৰক্ষণ ঃ

ৰঙা পৰুৱা হ'ল গোলাপ ফুলক আক্ৰমণ কৰা এবিধ বিশেষ পৰুৱা, সিয়েই গোটেই গছডালতে আক্ৰমণ চলায়। ইয়াৰ পৰিত্ৰাণৰ বাবে মালাথিয়ন বা ডাইমেথিয়েট ০.১অ এপ্ৰিল আৰু অক্টোবৰ মাহত স্প্ৰে কৰিব লাগে। পাত খোৱা পোকৰ পৰা ৰক্ষা পাবৰ বাবে মালাথিয়ন ০.২অ স্প্ৰে কৰিব লাগে। পাতত পৰা কলা ডাগ গুচাবলৈ কেপটান ৫০ধঠ স্প্ৰে কৰিব লাগে। ভেকুৰ আদিৰ পৰা ৰক্ষা পাবলৈ চালফাৰৰ গুৰি ছটিয়াব লাগে।

### গোলাপ ফুলৰ সুবাস ঃ

গোলাপ ফুলৰ সুবাসটো সুগন্ধী দ্ৰব্য বা গোলাপ ফুল তেল হিচাপে পোৱা যায়। গোলাপ ফুলৰ পৰা বনোৱা এবিধ দ্ৰব্য হ'ল গোলাপ জল। গোলাপ জল সাধাৰণতে ৰন্ধা-বঢ়াৰ ক্ষেত্ৰত, মণিহাৰী, ঔষধীয় আৰু ধৰ্মীয় অনুষ্ঠানবিলাকত ব্যৱহাৰ কৰা হয়। পৃথিৱীৰ প্ৰায়বিলাক দেশতে গোলাপ ফুলৰ সুবাস কৰৈ বৃহৎ একোখন বজাৰ আছে।

### খাদ্য আৰু পানীয় ঃ

গোলাপ ফুলৰ গুটিটোৰ পৰা জাম, জেলী, চুপ, চাহত ব্যৱহাৰ কৰিব পৰা বস্তু আদি বনোৱা। গুটিটোৰ প্ৰচুৰ পৰিমাণৰ 'চি' ভিটামিন থাকে। 'ৰোজ হিপ চিৰাপ' নামৰ পানীয় এবিধো ইয়াৰ পৰা বনোৱা হয়। 'ৰোজ হিপ চিড অইল'টো ছালৰ সমস্যা সা-সাজনৰ কাৰণে ব্যৱহাৰ কৰা হয়।

### গোলাপ ফুলৰ বিভিন্ন বেমাৰ আৰু নিৰাময়ৰ উপায়ঃ

ঘৰচীয়া গোলাপ বিভিন্ন বেমাৰৰ সন্মুখীন হয়। ইহঁতে আচলতে ওচৰতে থকা বিভিন্ন উদ্ভিদৰ কাৰণে বেমাৰত পৰে।

বাগিচাত ৰোৱা গোলাপবিলাক বিভিন্ন পোক-পৰুৱাৰ অক্ৰমণ, ভেকুৰ জাতীয় ৰোগ আদিৰ সন্মুখীন হয়। ইয়াক নিৰাময়ৰ কাৰণে সদায় চাফ-চিকুণতাৰ দৰকাৰ লগতে মাজে সময়ে কীটনাশক পাউদাৰ কম পৰিমাণে ছটিয়াব পাৰি।

মোৱা পোকে গোলাপ ফুলক বহুত আক্ৰমণ কৰে। ইয়াৰ বাবে বিভিন্ন ধৰণৰ পৰুৱাবিলাকেও গোলাপ ফুলত বাহ সাজি লয়। এইবোৰ নিৰাময়ৰ বাবে অতি সাৱধানতাৰে ইহঁতৰ বাঁহবিলাক ভাঙি পেলাব লাগিব আৰু দূৰত পেলাই দিব লাগে। লগতে কম পৰিমাণে কীটনাশক দৰবো দিব লাগে।

### গোলাপ ফুল ছিঙাৰ আগত আৰু পিছত ল'ব লগা সাৱধানতা ঃ

গোলাপ ফুল ছিঙাৰ উপযুক্ত সময় হ'ল যেতিয়া ফুলটোৰ তাৰপাহি বিলাক সম্পূৰ্ণকৈ প্ৰস্ফুতিত হয়, পাহিবিলাক ফুলটোৰ পৰা সৰি পৰাৰ আগত আৰু পাহিবিলাক ভাজ ধৰাৰ আগত ফুলটো ছিঙিব লাগে। ব্যৱসায়ৰ বাবে গোলাপ ফুল বিলাক কাৰ্ডবোৰ্ড বাকচত ভৰাই দূৰলৈ পঠাব লাগে যাতে ফুলটো নষ্ট হৈ নাযায়। একোটা থোপাত ২০ টাকৈ ফুল থাকিব লাগে আৰু বাকচটোৰ ভিতৰত পলিথিন আৰু Moist tissne paper দিব লাগে। ▪

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# গোলাপ ফুল



# Rose